**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JUNE-2026
**Time :** 11.00  AM

## ASSAMESE 11 AM BULLETIN

——————————————

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি পুনৰ ৫ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিব। সময়ৰ অভাৱৰ বাবে কালি সাক্ষ্য প্ৰদান কৰিব নোৱৰা বেবী বৰাই আজি ফাষ্টট্ৰেক আদালতত পুৱাৰ ভাগত সাক্ষ্য দিব। চৰকাৰী পক্ষৰ সাক্ষী হিচাপে বিৰিঞ্চি বৰা, প্ৰভাকৰ ফুকন, অনুজ কুমাৰ বৈশ্য আৰু ৰাজা অসমে সাক্ষ্য প্ৰদানৰ বাবে আজি দিন ধাৰ্য কৰা হৈছে।

ফাষ্টট্ৰেক আদালতে কালি দুগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰে। আদালতে ৫ গৰাকী সাক্ষীৰ সাক্ষ্যৰ বাবে নিৰ্দিষ্ট কৰিছিল যদিও সময়ৰ অভাৱৰ বাবে তিনিগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব পৰা নগ'ল। উল্লেখযোগ্য যে সোমবাৰৰ ফাষ্টট্ৰেক আদালতত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। এই গোচৰত সাক্ষী হিচাপে মুঠ ৩৯৪ গৰাকী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত ১৯ জুনৰ ভিতৰত কেচ ডায়েৰী দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি কালি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কেচ ডায়েৰীৰ লগতে নিম্ন আদালতৰ গোচৰটো সম্পৰ্কীয় নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

0000000

ৰাজ্যিক কৰ্মচাৰীয়ে অহা জুলাইৰ পৰা ২ শতাংশ অতিৰিক্ত মৰগীয়া বানচ লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত এই কথা উল্লেখ কৰি কয়, যে চৰকাৰৰ এই সিদ্ধান্তৰ জৰিয়তে ৮ লাখৰো অধিক ৰাজ্যিক কৰ্মচাৰী আৰু পেঞ্চনাৰ লাভান্বিত হ'ব। ৰাজ্য চৰকাৰে অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত চৰকাৰী কৰ্মচাৰীৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি পাব। উল্লেখযোগ্য যে মন্ত্ৰীসভাৰ শেহতীয়া বৈঠকত ৰাজ্যিক কৰ্মচাৰীৰ মৰগীয়া বানচ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

000000

প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ সফল ৰূপায়ণৰ দহ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কালি দেশজুৰি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

**নগাঁও** জিলাত কালি এই উপলক্ষে ১৬৬টা স্বাস্থ্য কেন্দ্ৰ, আয়ুষ্মান আৰোগ্য মন্দিৰ, সামুহিক স্বাস্থ্যকেন্দ্ৰ, এফ আৰ ইউ, মহকুমা অসামৰিক চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ত দ্বিতীয় আৰু তৃতীয় ত্ৰৈমাসিকৰ সন্তানসম্ভৱা মহিলাসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। তদুপৰি

প্ৰসূতিসকলক পুষ্টিকৰ খাদ্য প্ৰদানৰো ব্যৱস্থা কৰা হয়। জিলাখনত ৩ হাজাৰ ৫৯৬ গৰাকী প্ৰসূতিৰ কালি স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

**ওদালগুৰি** জিলাতো কালি এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ওদালগুৰি অসামৰিক চিকিৎসালয়, ৰৌতা, মহলীয়াপাৰা, ভেৰগাঁও, ডিমাকুচি, হৰিশিঙা আদৰ্শ চিকিৎসালয়, ওৰাং, টংলা, খৈৰাবাৰী আৰু ওদালগুৰি সামুহিক স্বাস্থ্য কেন্দ্ৰৰ লগতে আয়ুস্মান আৰোগ্য মন্দিৰসমূহতো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। জিলাখনত কমেও দুহেজাৰ ২৯৩ গৰাকী সন্তানসম্ভৱা মহিলাক কালি স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

**বজালী** জিলাতো কালি মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ দশম বৰ্ষপূৰ্তি উদযাপন কৰা হয়। এই উপলক্ষে জিলাখনৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানত বিশেষ কাৰ্যসূচী লোৱা হয়। ইয়াৰ অংশ হিচাপে গৰ্ভৱতী মহিলাসকলৰ স্বাস্থ্যপৰীক্ষা কৰি ঔষধ বিতৰণ কৰা হয়।

শোণিতপুৰ জিলাৰ বিভিন্ন স্বাস্থ্যকেন্দ্ৰ আৰু আন কেইবাটাও স্থানত এই কাৰ্যসূচীৰ অংশ হিচাপে সন্তানসম্ভৱাসকলৰ বিশেষ প্ৰসৱপূৰ্ব যতন তথা সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। স্বাস্থ্য বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত জিলাখনৰ বহু গৰ্ভৱতী মহিলাই অংশ লৈ এই সেৱাৰ সুবিধা গ্ৰহণ কৰে। স্বাস্থ্য শিবিৰসমূহত বিশেষজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে মহিলাসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে পৰিপুষ্টি সম্পৰ্কীয় পৰামৰ্শ আগবঢ়ায়। তদুপৰি গৰ্ভাৱস্থাত ল'বলগীয়া সাৱধানতা আৰু গৰ্ভস্থ শিশুটিৰ সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কতো অৱগত কৰোৱা হয়।

গোলাঘাট জিলাতো এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে স্বাস্থ্য বিভাগে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ অধীনত সন্তানসম্ভৱাসকলৰ স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হয়। জিলাখনৰ ২০টা প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযান কেন্দ্ৰৰ লগতে আয়ুস্মান আৰোগ্য মন্দিৰ, সামুহিক স্বাস্থ্য কেন্দ্ৰ, মহকুমা অসামৰিক চিকিৎসালয় আদিত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। এই শিবিৰ সমূহত ৪ হাজাৰৰো অধিক গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

শ্ৰীভূমি জিলাতো এই অভিযানৰ অধীনত স্বাস্থ্য শিবিৰ মুকলি কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। ২০১৪ চনৰ ২৬ মে'ত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰীমোদীয়ে আজি এই বিশেষ কৃতিত্ব অৰ্জন কৰিছে। শ্ৰীমোদীয়ে এই কৃতিত্ব অৰ্জনৰ ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। পণ্ডিত নেহৰুৱে একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

ইপিনে কেন্দ্ৰত মোদী চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতত একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ কৃতিত্ব উদযাপন কৰিবলৈ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা, এন ডি এই আজি নতুন দিল্লীত এখন বৈঠকৰ আয়োজন কৰিছে।

বৈঠকত বিজেপিৰ শীৰ্ষ নেতৃত্বৰ লগতে মৰ্চাৰ সকলো অংশীদাৰ উপস্থিত থাকিব। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশগ্ৰহণ কৰিব। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল সামৰি শাসনৰ দায়িত্বত থকা ২২ খন এন ডি এ চৰকাৰৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলেও এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত বিভিন্ন ৰাষ্ট্ৰীয় উন্নয়নমূলক কাৰ্যসূচী, আন্তঃগাঁথনিমূলক কাৰ্যসূচী আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বিষয়ে মোদী চৰকাৰৰ লক্ষ্যৰ পৰ্যালোচনা কৰা হ'ব।

০০০০০০

আজাৰা তালুকৰ প্ৰাক্তন সম্পাদক, আজাৰা উন্নয়নৰ মঞ্চৰ প্ৰতিষ্ঠাপক, সম্পাদক প্ৰশান্ত মহন্তৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬১ বছৰ। সৰবৰহী ব্যক্তি মহন্তৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

**সমাপ্ত**